# আমাৰ এন আৰ চি
# ন্যায়সংগত এন আৰ চি

NRC
NATIONAL REGISTER OF CITIZENS

## গাঁও পঞ্চায়তৰ সচিব / লাট মণ্ডল / চক্র বিষয়াৰ দ্বাৰা প্ৰদান কৰা প্ৰমাণপত্ৰৰ বিশেষ পৰীক্ষণ অহা ২ এপ্ৰিল ২০১৮ তাৰিখৰ পৰা আৰম্ভ হ'ব

- মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি বিবাহিতা মহিলাসকলে লিগেচী ব্যক্তিৰ সৈতে সম্পৰ্কৰ যোগসূত্ৰ স্থাপন কৰিবলৈ দাখিল কৰা গাঁও পঞ্চায়তৰ সচিব / লাট মণ্ডল / চক্র বিষয়াৰ দ্বাৰা প্ৰদান কৰা প্ৰমাণপত্ৰ সমূহৰ বিস্তৃত পৰীক্ষণৰ প্ৰয়োজন আছে।
- এই পৰীক্ষণ শুনানী গ্ৰহণ পদ্ধতিৰে পৰিচালনা কৰা হ'ব য'ত বিবাহিতা মহিলাসকল উপস্থিত থাকিব লাগিব। প্ৰমাণপত্ৰ প্ৰদান কৰা কৰ্তৃপক্ষ (গাঁও পঞ্চায়তৰ সচিব / লাট মণ্ডল / চক্র বিষয়া) এই শুনানীত উপস্থিত থাকি তেওঁলোকে প্ৰদান কৰা প্ৰমাণপত্ৰৰ ভিত্তি প্ৰতিপন্ন কৰিব।
- প্ৰমাণপত্ৰৰ গৰাকীয়ে প্ৰমাণপত্ৰৰ মূল প্ৰতিলিপি লগত আনিব লাগিব। মূল প্ৰতিলিপি লগত নাথাকিলে শুনানীৰ বাবে তাৰ ফটোকপি এটা আনিব লাগিব। ইয়াৰ উপৰিও তেওঁৰ প্ৰমাণপত্ৰত ঘোষিত সম্পৰ্কৰ যোগসূত্ৰৰ সত্যাসত্যতা নিৰূপণ কৰিব পৰা যিকোনো সাক্ষ্য / প্ৰমাণ দাখিল কৰিব পাৰিব। এই সন্দৰ্ভত, তেওঁ লিগেচী ব্যক্তি বা লিগেচী ব্যক্তিৰ অন্য বংশধৰক তেওঁ দাবী কৰা সম্পৰ্কৰ যোগসূত্ৰ প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে সাক্ষ্য দিবলৈ লগত আনিব পাৰিব।
- প্ৰমাণপত্ৰৰ গৰাকীলৈ তেওঁৰ প্ৰমাণপত্ৰ প্ৰদান কৰা গাঁও পঞ্চায়ত / লাট মণ্ডল / চক্র বিষয়াৰ কাৰ্য্যালয়ৰ সমীপৱৰ্তী স্থানত অৱস্থিত শুনানী কেন্দ্ৰত উপস্থিত হোৱাৰ বাবে জাননী জাৰি কৰা হ'ব। এন আৰ চিৰ ক্ষেত্ৰভিত্তিক কৰ্মচাৰীয়ে ঘৰে ঘৰে গৈ এই জাননী দিব য'ত শুনানীৰ তাৰিখ, সময় আৰু স্থানৰ উল্লেখ থাকিব।
- কোনো তৃতীয় পক্ষ বা পৰিয়ালৰ বাহিৰৰ কোনো সদস্যক এই শুনানীত অংশগ্ৰহণ কৰিবলৈ দিয়া নহয়।
- এই বিশেষ পৰীক্ষণ কাৰ্য্যসূচী গ্ৰামাঞ্চলত গাঁও পঞ্চায়তৰ সচিবৰ দ্বাৰা, ডিমা হাচাও / কাৰ্বি আংলং, কোকৰাঝাৰ / চিৰাং / বাক্সা আৰু ওদালগুৰি জিলাত লাট মণ্ডলৰ দ্বাৰা আৰু চহৰাঞ্চলত ৰাজহ চক্র বিষয়াৰ দ্বাৰা প্ৰদত্ত প্ৰমাণপত্ৰ সমূহৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব।
- প্ৰমাণপত্ৰৰ গৰাকী শুনানীত উপস্থিত নাথাকিলে, তেওঁৰ অনুপস্থিতিত শুনানী পৰিচালনা কৰা বিশেষ পৰীক্ষণকাৰী বিষয়াই সম্পৰ্কৰ যোগসূত্ৰ স্থাপনকাৰী নথি হিচাপে প্ৰমাণপত্ৰৰ গ্ৰহণযোগ্যতাৰ সন্দৰ্ভত সিদ্ধান্ত ল'ব।
- কোনো অবিবাহিত মহিলা বা পুৰুষে দাখিল কৰা প্ৰমাণপত্ৰ গ্ৰহণযোগ্য নহ'ব।
- শুনানীত অংশগ্ৰহণকাৰী ব্যক্তিয়ে নিজৰ পৰিচয়সূচক বৈধ ফটো পৰিচয়পত্ৰ লগত অনাটো বাধ্যতামূলক।
- উল্লেখিত প্ৰমাণপত্ৰ যদি প্ৰকৃততে এই জাননীত উল্লেখ কৰা গাঁও পঞ্চায়ত / ৰাজহ চক্ৰৰ দ্বাৰা প্ৰদত্ত নহয়, তেন্তে প্ৰমাণপত্ৰৰ গৰাকীয়ে তেওঁ আবেদনপত্ৰ দাখিল কৰা অনুমোদিত নাগৰিকপঞ্জী সেৱা কেন্দ্ৰ (NSK)ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

*শুনানীৰ স্থান বিচাৰোঁতে কিবা অসুবিধাৰ সন্মুখীন হ'লে অনুগ্ৰহ কৰি আমাৰ বিনামূলীয়া হেল্পলাইন নম্বৰ 15107 (অসমত), 18003453762 (অসমৰ বাহিৰৰ পৰা) ফোন কৰিব পাৰে বা আমাৰ ৱেবচাইট (http://nrcassam.nic.in/ftvc2.html) চাব পাৰে বা আমাৰ ফেচবুক পৃষ্ঠা বা টুইটাৰত আপোনাৰ প্ৰশ্ন উত্থাপন কৰিব পাৰে।*

Exclusive/NRC/03-18-10

জনহিতাৰ্থে প্ৰচাৰিত

**ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম চৰকাৰ**

**নাগৰিক পঞ্জীয়নৰ মহা পঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ**

বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে | আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক | ১৫১০৭ (অসমৰ বাবে) ১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা) | আমাৰ ৱেবচাইট www.nrcassam.nic.in | nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক